যোৱা বছৰ প্ৰাকৃতিক দুৰ্যোগত ২০,২০১ জ

# ২০১৪ত সৰ্বাধিক ভাৰতী

নতুন দিল্লী, ২৭ জুলাই ঃ অন্যান্য প্ৰাকৃতিক দুৰ্যোগতকৈ বজ্ৰপাততহে যোৱা বছৰ সৰ্বাধিকসংখ্যক ভাৰতীয় মৃত্যুমুখত পৰিছিল। গ্ৰীষ্মপ্ৰবাহ, শীতপ্ৰবাহ আৰু বানপানীৰ দৰে প্ৰাকৃতিক দুৰ্যোগতকৈ ২০১৪ চনত বজ্ৰৰ আঘাতত সৰ্বাধিক ভাৰতীয়ৰ মৃত্যুৰ এই তথ্য সদৰী কৰিছে নেচনেল ক্ৰাইম ৰেকৰ্ডছ ব্যুৰ'ৰ (এন চি আৰ বি) আজি প্ৰকাশিত এক প্ৰতিবেদনে। এন চি আৰ বিৰ তথ্য অনুসৰি যোৱা বছৰ প্ৰাকৃতিক দুৰ্যোগত দেশত ২০,২০১ জন লোকে মৃত্যুক সাবটি লৈছিল। ইয়াৰে ১২.৮ শতাংশ অৰ্থাৎ ২,৫৮২ জনৰ মৃত্যু হৈছিল বজ্ৰপাতত। আনহাতে ৬.২ শতাংশ অৰ্থাৎ ১,২৪৮ জনৰ ৰৌদ্ৰ প্ৰবাহত আৰু ৪.৫ শতাংশ অৰ্থাৎ ৯১৩ জনে প্ৰাণ হেৰুৱাইছিল অসহনীয় শীতপ্ৰবাহত। এন ...
প্ৰতিবেদনে উল্লি...
চনৰ পৰা ভাৰত...
হিচাপে পৰিগণি...
তেতিয়াৰে পৰা ...
লোকৰ বজ্ৰ পৰি ...
এইখিনি সময়ত ...
গ্ৰীষ্মপ্ৰবাহৰ দৰে ...
দুৰ্যোগে কিন্তু ...

কৰ্মচাৰীৰ অনিয়মীয়া উপস্থিতি

# কাকীত এন আৰ চি সেৱা কেন্দ্ৰত উত্তেজনা

প্ৰতিদিন সেৱা, কাকী, ২৭ জুলাই ঃ নগাঁও জিলাৰ লংকা ৰাজহ চক্ৰৰ অন্তৰ্গত কাকী ২/৩ নং ঠাইচুপাৰ ১৬নং এন আৰ চি সেৱা কেন্দ্ৰত আজি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। এন আৰ চি সেৱা কেন্দ্ৰটোৰ এন আৰ চি বিষয়াগৰাকী সদায় সেৱা কেন্দ্ৰটোত পলমকৈ উপস্থিত হোৱাক কেন্দ্ৰ কৰি আজি দুই শতাধিক লোকে কাৰ্যালয়টোত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। অভিযোগ অনুসৰি এন আৰ চি বিষয়া গোলো কলিতা কাৰ্যালয়টোত পলমকৈ উপস্থিত হোৱাৰ ফলত পুৱা ৫ বজাৰ পৰা এন আৰ চি প্ৰ-পত্ৰ জমা দিবলৈ অহা লোকসকলে প্ৰ-পত্ৰ জমা দিব নোৱাৰি উভতি যাবলগা ঘটনা সংঘটিত হৈ আহিছিল। আজি এন আৰ চি বিষয়াগৰাকী দিনৰ ১ বজালৈকে কাৰ্যালয়ত উপস্থিত নোহোৱাত তীব্ৰ গৰমত ৰৈ থকা ৰাইজ উত্তেজিত হৈ পৰে। ইফালে কাৰ্যালয়টোৰ পৰা প্ৰায় ২০-৩০ কিলোমিটাৰ নিলগৰ বহু লোক এই বিষয়াগৰাকীৰ হেমাহিৰ বাবে চাৰি-পাঁচ দিনকৈ আহি প্ৰ-পত্ৰ জমা দিব নোৱৰাত এন আৰ চিৰ নামত সাধাৰণ ৰাইজে হাৰাশাস্তি ভুগিবলগা হৈছে। এফালে একাংশ লোকৰ প্ৰ-পত্ৰ কাৰ্যালয়টোৰ পৰা নোহোৱা হোৱাত অঞ্চলটোত অন্য এক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

বাৰিষাৰ পথাৰ এৰি সেৱা কেন্দ্ৰত দীঘলীয়া শাৰী কৃষকৰ

# বাক্সাত এন আৰ চিৰ প্ৰ-পত্ৰ জমা দিয়াৰ নামত ৰাইজক হাৰাশাস্তি

প্ৰতিদিন বিশেষ সংবাদ, বৰিমাখা, ২৭ জুলাই ঃ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ প্ৰ-পত্ৰ জমা দিয়াৰ নামত বাক্সা জিলাৰ সেৱা কেন্দ্ৰসমূহত হাৰাশাস্তিৰ সন্মুখীন হৈছে ৰাইজ। বাৰিষাৰ খেতিপথাৰ এৰি এন আৰ চি সেৱা কেন্দ্ৰত পুৱাৰে পৰা শাৰী পাতি থাকিও প্ৰ-পত্ৰ জমা দিব নোৱাৰি বিমুখ হৈ ঘৰলৈ উভতি আহিবলগা হৈছে। জিলাখনৰ বৰিমাখা, বৰবৰী, বাগানপাৰা, নয়াবস্তি আৰু নিছলামাৰী সেৱা কেন্দ্ৰত পুৱাৰে পৰা প্ৰ-পত্ৰ জমা দিবলৈ অঞ্চলটোৰ সাধাৰণ ৰাইজে শাৰীপাতি থকা পৰিলক্ষিত হৈছে। কিন্তু তিনি-চাৰি দিন ধৰি বহুতে প্ৰ-পত্ৰ জমা দিব নোৱাৰি হতাশ হৈ পৰিছে ৰাইজে। জানিব পৰামতে একোটা সেৱা কেন্দ্ৰত পোন্ধৰৰ পৰা বিশখন পৰ্যন্ত গাঁও সামৰি লৈ এন আৰ চিৰ প্ৰ-পত্ৰ জমা ৰখাৰ কাম চলাই আছে যদিও এটা কেন্দ্ৰত এদিনত খুব বেছি পঞ্চাশখন আবেদনহে জমা ৰাখিব পাৰে। সেৱাকেন্দ্ৰসমূহত আবেদন জমা দিবলৈ এক নিৰ্দিষ্ট দিন নিৰ্ধাৰণ কৰি দিছে। পিচে এদিনত দুইৰ পৰা তিনি শতাধিক লোক উপস্থিত হৈ প্ৰ-পত্ৰ জমা দিবলৈ হেতাওপৰা লগায়। ইফালে সেৱা কেন্দ্ৰটোৰ অন্তৰ্গত গাঁওসমূহৰ জনসংখ্যা অনুসৰি মাত্ৰ এটা কম্পিউটাৰত কাম কৰিবলগা হোৱাত অসুবিধাৰ সন্মুখীন হৈছে এন আৰ চি বিষয়া-কৰ্মচাৰীসকল। আবেদনপত্ৰৰ লগত দিয়া নথি-পত্ৰ পৰীক্ষা কৰি কম্পিউটাৰাইজ কৰালৈকে সকলো কাম কৰি দিনটোত মাত্ৰ পঞ্চাশখনমানহে প্ৰ-পত্ৰ জমা ৰাখিব পাৰে। ইয়াৰ উপৰি সঘনে কেন্দ্ৰসমূহত বিদ্যুৎ কৰ্তন হৈ থকাত স্থবিৰ হৈ পৰিছে প্ৰ-পত্ৰ জমা ৰখা কাম-কাজ। থলুৱা লোকসকলৰ প্ৰ-পত্ৰ পূৰণ তথা জমা ৰখাৰ ক্ষেত্ৰত বিভিন্ন দল-সংগঠনে এন আৰ চিৰ বিষয়া-কৰ্মচাৰীক কঠোৰ নহ'বলৈ আহ্বান জনোৱাৰ পিচতো ঠায়ে ঠায়ে প্ৰ-পত্ৰ জমা নাৰাখি ঘূৰাই পঠোৱাৰো অভিযোগ উত্থাপন হৈছে। ইফালে জিলাখনৰ নয়াবস্তি সেৱাকেন্দ্ৰৰ দায়িত্বত থকা নয়াবস্তি সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিষয়াগৰাকীয়ে কাম আধাতে এৰি যোৱাৰো অভিযোগ উত্থাপন হৈছে। যাৰ বাবে সেৱা কেন্দ্ৰটোত স্থবিৰ হৈ পৰিছে যাবতীয় কাম-কাজ।